# ৮.০০ ৰূপতত্ত্ব (Morphology)
(ৰূপবিজ্ঞান, প্ৰাকৃতি বিজ্ঞান)

ভাষাৰ অধ্যয়নৰ অন্যতম স্তৰ হৈছে 'ৰূপতত্ত্ব'। ভাষাবিজ্ঞানৰ এই স্তৰত ভাষাৰ ব্যাকৰণগত এককসমূহৰ (Units) বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়। ভাষাত ব্যৱহৃত ৰূপসমূহৰ বিশ্লেষণ অৰ্থাৎ শব্দগঠন আৰু পদসাধনৰ পৰ্যালোচনা ৰূপতত্ত্বত কৰা হয়। ব্লুমফিল্ডৰ মতে[১] — "ভাষাৰ অংগবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ আলোচনাই হৈছে ৰূপতত্ত্ব"। নিদাৰ ভাষাত[২] — "শব্দ আৰু শব্দাংশ গঠনত প্ৰাকৃতি আৰু প্ৰাকৃতিবোৰৰ প্ৰয়োগ সম্পৰ্ক অধ্যয়নেই হৈছে 'ৰূপতত্ত্ব'।"

ৰূপতত্ত্বৰ পৰিসৰ অতি বিস্তৃত। পৃথিৱীৰ সকলো ভাষাতে সীমিত সংখ্যকহে বাগ্‌ধ্বনি উচ্চাৰিত হয়। বাগ্‌ধ্বনিবোৰৰ এটা বা এটাতকৈ অধিক ধ্বনিৰ সংযোগ ঘটাই অৰ্থ প্ৰকাশক এটা ৰূপ সৃষ্টি কৰা হয়। কিন্তু প্ৰত্যেক ভাষাতে ৰূপগঠন বা শব্দগঠন পদ্ধতি ইমান বেলেগ যে, বিশেষ এটা নিয়ম বা পদ্ধতিৰে ইয়াক বিশ্লেষণ কৰা অতি জটিল। কিছুমান ভাষাত বদ্ধৰূপবোৰ মূলৰূপৰ আগত যোগ হয়, কিছুমান ভাষাত মূলৰূপৰ মাজত, কিছুমান ভাষাত পিছত আৰু কিছুমান ভাষাত আগত আৰু পিছত যোগ হয়। ভাষা বিশেষে এই বদ্ধৰূপবোৰ মূলৰূপৰ সৈতে এনেদৰে সংযোগ হৈ থাকে তাক সহজে বাছি উলিওৱা কঠিন হৈ পৰে। আনহাতে কিছুমান ভাষাৰ প্ৰত্যয়বোৰৰ সংযোগ অতি স্পষ্ট ৰূপত পোৱা যায়। ভাষা এটাৰ বৈয়াকৰণিক ৰূপ, যেনে — উপসৰ্গ (Prefix), পৰসৰ্গ (Suffix), অন্তঃসৰ্গ (Infix) এইবোৰে শব্দগঠনত আৰু পদাসাধণত কেনেদৰে কাৰ্যসাধন কৰে; লিংগ, বচন, পুৰুষ আদি কেনেকৈ নিৰ্ণয় কৰা হয়; এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে, এই সকলোবোৰ বৈয়াকৰণিক দিশৰ বিস্তৃত আলোচনা ৰূপতত্ত্বত আগবঢ়োৱা হয়।

ভাষাৰ ৰূপতাত্ত্বিক গঠন (Morphological Structure)ৰ আলোচনাত আকৃতি (Morph), প্ৰাকৃতি (Morpheme), উপাকৃতি (Allomorph) আদি সম্পৰ্কেও জনাটো প্ৰয়োজনীয়। ভাষাৰ ৰূপতত্ত্ব আলোচনাৰ প্ৰধান সামগ্ৰী হ'ল 'আকৃতি'। এই আকৃতিসমূহৰ পৰাই 'প্ৰাকৃতি' আৰু 'উপাকৃতি' নিৰ্ণয় কৰা হয়।

## ৮.০১ আকৃতি (Morph) ঃ

এক বা একাধিক বর্ণৰে ৰূপ বা আকৃতি গঠিত হয়। আকৃতিবোৰক ভাষাৰ গঠনৰ নিয়ম অনুসৰি লগ লগাই শব্দ আৰু পদ গঠন কৰা হয়। পদসমূহক যথাস্থানত বহুৱাই বাক্য সৃষ্টি কৰি মনৰ ভাব আদান-প্ৰদান কৰা হয়। বাক্যত ব্যৱহৃত পদবোৰক খণ্ডিত কৰি আকৃতিসমূহ বাছি উলিওৱা হয়। সাধাৰণতে 'শব্দ' বুলিলে আমি স্বয়ং সম্পূৰ্ণ নিজা অৰ্থ থকা এক উপাদান বুলি বুজোঁ। ৰূপতত্ত্বৰ আলোচনাত শব্দ আৰু ৰূপ বা আকৃতি এই দুটাৰ মাজত পাৰ্থক্য আছে। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে আৰু প্ৰতিটো শব্দক অৰ্থৰ প্ৰতি দৃষ্টি ৰাখি একাধিক খণ্ডত বিভাজন কৰিব পাৰি। ক্ষুদ্ৰতম বিভাজিত খণ্ডবোৰক 'ৰূপ বা আকৃতি' বোলা হয়। আকৃতি বা ৰূপ ভাষা এটাৰ ক্ষুদ্ৰতম অৰ্থবহ গোট (Smallest meaningful unit of a language)। John Lyons[৩]ৰ মতে, "ভাষাত ব্যৱহৃত শব্দক যেতিয়া খণ্ডিত কৰা হয়, সেই খণ্ডিত কৰি উলিওৱা খণ্ডবোৰকে ৰূপ বা আকৃতি (Morph) বোলে"। উদাহৰণস্বৰূপে, মানুহজন, গৰুবোৰ, কলমটো আদি শব্দকেইটাক মানুহ + জন, গৰু + বোৰ, কলম + টো আদি ক্ষুদ্ৰতম অথচ অৰ্থপূৰ্ণ খণ্ডত ভাঙিলত মানুহ, গৰু, কলম, জন, টো, বোৰ আদি ৰূপ পোৱা গৈছে। ইহঁতক ইয়াতকৈ আৰু সৰু সৰু গোটত ভাগ কৰিব নোৱাৰি আৰু ইহঁতৰ প্ৰত্যেকৰে একোটা ধ্ৰুব অৰ্থ আছে। ইহঁত প্ৰত্যেকেই একোটাহঁত 'আকৃতি'।

## ৮.০২ প্ৰাকৃতি (Morpheme) ঃ

ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক (Unit) হ'ল 'প্ৰাকৃতি'। ভাষাৰ এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অৰ্থবাহক ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। এনেদৰে শ্ৰেণীবদ্ধ কৰা ৰূপ বা আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰি বিৰোধ আছেনে নাই অৰ্থাৎ একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন কৰিব পাৰে নে নোৱাৰে তাক বিশ্লেষণ কৰা হয়। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি 'প্ৰাকৃতি' বুলি চিনাক্ত কৰা হয়। ইংৰাজী ভাষাৰ বহুবচন বুজোৱা প্ৰাকৃতি হৈছে — s। ধ্বনিগত পৰিৱেশৰ প্ৰভাৱত এই প্ৰাকৃতিৰ পৰাই ভিন্ ভিন উপাকৃতিৰ সৃষ্টি হয়। যেনে — cup-cups, boy-boys, glass-glasses, knife-knives আদি শব্দ খণ্ডিত কৰিলে বহুবচন বুজাবলৈ ব্যৱহাৰ কৰা যথাক্ৰমে — [/s, -s/-z আৰু -s/-iz/] এই তিনিটা আকৃতি পোৱা যায়। এই তিনিওটা ইংৰাজী ভাষাৰ বহুবচনাত্মক বদ্ধৰূপ; কিন্তু

দুইটা একে অৰ্থবোধক আকৃতি, ইইঁতৰ মাজত কোনোটোৰ ধ্বনিগত সাদৃশ্য নাই। কিন্তু অৰ্থৰ ফালৰপৰা সাদৃশ্য থকাৰ বাবে ইইঁত এটাৰ ইটাৰ ঠাইত বহে এটা অন্যৰ সৈতে। দুইটা বিভিন্নটো পৰিপূৰক অৱস্থানত থকাৰ বাবে ইইঁতক এটা গোট কৰি 'আকৃতি' হিচাপে ধৰা হয়। ইইঁত বিভিন্নটো এটা 'আকৃতি'ৰ অন্তৰ্ভুক্ত কৰাৰ নিমিত্তে [/-এ, -এ/এ আৰু -ৰ/-ই/] প্ৰত্যেককে এতেকিয়াৰ উপাকৃতি বুলি কোৱা হ'ব। এই উপাকৃতি বিভিন্নটোৰ ভিতৰত যিটো উপাকৃতিৰ প্ৰয়োগৰ সীমাবদ্ধতা কম, সেইটোৰ নামেৰে আকৃতিটো নামকৰণ কৰা হয়। ওপৰৰ উপাকৃতি বিভিন্নটোৰ ভিতৰত [-এ] ৰ প্ৰয়োগত সীমাবদ্ধতা কম কাৰণে সামূহিক গোটটোৰ অৰ্থাৎ আকৃতিটোক /এ/ নামেৰে নামকৰণ কৰা হয়।

## ৮.০৩ উপাকৃতি (Allomorph) ঃ

ভাষাত ব্যৱহৃত পদবোৰৰ খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতিবোৰ খতি উলিওৱাৰ পাছত ধ্বনিগত আৰু অৰ্থগত মিলবোৰ লক্ষ্য কৰি আকৃতিসমূহক কিছুমান গোটত ভাগ কৰি 'প্ৰাকৃতি' নিৰ্ণয় কৰা হয়। এই প্ৰাকৃতিৰ নিৰ্দিষ্ট পৰিৱেশগত বিভিন্নতাক 'উপাকৃতি' বোলা হয়। কোনো এটা প্ৰাকৃতিৰ উপাকৃতিসমূহ চিনাক্ত কৰোঁতে তলত উল্লেখ কৰা উপাদানসমূহ বিচাৰ কৰা হয়। যেনে —

(১) আকৃতিসমূহ একে অৰ্থ বিশিষ্ট হ'ব লাগে।

(২) আকৃতিসমূহৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট হ'ব লাগিব অৰ্থাৎ পৰিপূৰক অৱস্থান (complementary distribution) থাকিব লাগে।

(৩) আকৃতিসমূহ সমান্তৰাল গঠনত প্ৰয়োগ হ'ব লাগে।

অসমীয়া ভাষাৰ 'যা' ধাতুৰ বিভিন্ন পুৰুষ আৰু বিভিন্ন কালত ভিন্ ভিন্ ৰূপ বা আকৃতি পোৱা যায়। যেনে — যাওঁ (যা-ওঁ), গৈছোঁ (গৈ-ইছ্-ওঁ), গ'লোঁ (গ'-ইল-ওঁ), যাম (যা-ম), যোৱা (যো-আ), গৈছ (যা-ইছ্-অ), যাবি (যা-ইব-ই), গৈছিল (যা-ইছ্-ইল) আদি। এই ভিন্ন ৰূপসমূহ বিশ্লেষণ কৰিলে 'যা' ধাতুৰ চাৰিটা আকৃতি পোৱা যায়। যেনে — যা-, গৈ-, গ'- আৰু যো-; এই আকৃতিসমূহৰ মাজত ধ্বনিগত পাৰ্থক্য আছে; কিন্তু প্ৰত্যেকৰ অৰ্থৰ ফালৰ পৰা মিল আছে আৰু প্ৰত্যেকৰে প্ৰয়োগৰ স্থান নিৰ্দিষ্ট অৰ্থাৎ পৰিপূৰক অৱস্থানত আছে। গতিকে নিৰ্দিষ্ট গুণ সম্বলিত আটাইকেইটা আকৃতিক এটা গোটত ভাগ কৰি এটা প্ৰাকৃতিৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ প্ৰাকৃতি হ'ব /যা/ আৰু /যা/ প্ৰাকৃতিৰ [যা], [গৈ], [গ'] আৰু [যো] এইকেইটা উপাকৃতি হ'ব।

## ৮.০৪ আকৃতিৰ পৰা প্ৰাকৃতি নিৰ্ণয় ঃ

ভাষাত ব্যৱহৃত হোৱা পদবোৰক খণ্ডিত কৰি ক্ষুদ্ৰতম অৰ্থবহ গোটত ভাগ কৰা হয়। এই ভাগবোৰক 'আকৃতি' বোলা হয়। ইহঁত প্ৰত্যেকেই একোটাইত প্ৰাকৃতিও। যেনে — 'খেতিয়কলৈ' পদৰ খেত + ই + অক + লৈ এই চাৰিটা আকৃতি পোৱা যায়। ইহঁতক ইয়াতকৈ সৰু খণ্ডত ভাগ কৰিব নোৱাৰি; খেত-ই-অক-লৈ প্ৰত্যেকেই একোটাইত ধ্ৰুব অৰ্থ বহন কৰিছে। একোটা ভাষাত এক বা একাধিক বৰ্ণৰে গঠিত অলেখ আকৃতি পোৱা যায়। কিন্তু সকলোবোৰ আকৃতি বা ৰূপক প্ৰাকৃতি বুলিব নোৱাৰি। ৰূপতাত্ত্বিক বিশ্লেষণৰ সহায়ত ভাষাত উচ্চাৰিত আকৃতিসমূহৰ পৰা প্ৰাকৃতিসমূহ নিৰ্ণয় কৰা হয়। প্ৰাকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া বিভিন্ন পদ্ধতি সম্পৰ্কে তলত উল্লেখ কৰা হ'ল —

(১) আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য থাকিব লাগে।

(২) আকৃতিসমূহৰ ধ্বনিগত ভিন্নতা হ'লেও, অৰ্থগত সাদৃশ্য থাকিব লাগিব আৰু ইহঁতৰ পৰিপূৰক প্ৰয়োগ হ'ব লাগে।

(৩) অৰ্থগত সাদৃশ্য থকা আকৃতিসমূহৰ ধ্বনিগত ভিন্নতা থাকিলে, ইহঁতৰ ধ্বনিগত ভিন্নতা কিয় হৈছে? তাক ধ্বনিগত পৰিবৰ্তনৰ ব্যাখ্যাৰে বিশ্লেষণ কৰি চাব লাগে।

(১) আলোচ্য ভাষা বিশেষত ব্যৱহৃত শব্দবোৰৰ আকৃতিবোৰ খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে বাছি উলিয়াব লাগে। আকৃতিসমূহ চিনাক্ত কৰাৰ পাছত ধ্বনিগত আৰু অৰ্থগত সাদৃশ্যলৈ লক্ষ্য ৰাখি কিছুমান গোটত ভাগ কৰা হয়। এনেদৰে গোটত ভাগকৰা আকৃতিসমূহৰ দুটা বা ততোধিক আকৃতিৰ মাজত অৰ্থগত মিল থাকে, তেতিয়া সেই আকৃতিসমূহক একোটা 'প্ৰাকৃতি' বুলি চিনাক্ত কৰা হয়। সাধাৰণতে ভাষাত ব্যৱহৃত শব্দবোৰক খণ্ডিত প্ৰক্ৰিয়াৰে অৰ্থৰ প্ৰতি দৃষ্টি ৰাখি খণ্ডিত কৰা হয়। অসমীয়া ভাষাৰ পৰা কেইটামান শব্দ লৈ কেনেদৰে শব্দবোৰ খণ্ডিত কৰা হয় বিশ্লেষণ কৰি দেখুওৱা হৈছে — মৰমিয়াল, সাহিয়াল, ৰঙিয়াল, ৰাগিয়াল আদি শব্দ খণ্ডিত কৰা হৈছে এনেদৰে —

মৰম + ইয়াল = মৰমিয়াল।
সাহ + ইয়াল = সাহিয়াল।
ৰঙ + ইয়াল = ৰঙিয়াল।
ৰাগ + ইয়াল = ৰাগিয়াল।

ইয়াত মৰম, সাহ, ৰঙ, ৰাগ প্ৰত্যেকেই একোটাইত ৰূপ আৰু ইহঁত একোটাইঁত আকৃতিও, এই শব্দবোৰৰ লগত 'ইয়াল' বদ্ধৰূপ লগ লাগিছে। মৰম, সাহ, ৰঙ, ৰাগ আদি আকৃতিৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য নাই সেয়ে ইহঁত

প্ৰত্যেকেই একোটাইত প্ৰাকৃতি। কিন্তু ইহঁতৰ লগত যোগ হোৱা চাৰিওটা 'ইয়াল'ৰ ধ্বনিগত সাদৃশ্য আছে। গতিকে 'ইয়াল' এটা প্ৰাকৃতি।

ঠিক তেনেদৰে উজনি, নামনি, বননি, ধাননি আদি শব্দক খণ্ডিত কৰিলে — উজ + অনি, নাম + অনি, বন + অনি, ধান + অনি, সৰ্বমুঠ আঠোটা আকৃতি পোৱা যায়। ইয়াতো উজ, নাম, বন, ধান আদি আকৃতিৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য নাই। কিন্তু ইহঁতৰ প্ৰত্যেকৰ লগত সংযোজিত 'অনি' আকৃতি চাৰিটাৰ মাজত ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য আছে। এতেকে 'অনি' অসমীয়া ভাষাৰ প্ৰাকৃতি।

(২) আনহাতে ভাষা বিশেষে এনে কিছুমান আকৃতি পোৱা যায়, যিবোৰৰ অৰ্থগত সাদৃশ্য আছে, কিন্তু ধ্বনিগত সাদৃশ্য পোৱা নাযায় আৰু এই আকৃতিবোৰৰ প্ৰয়োগৰ স্থানো নিৰ্দিষ্ট, অৰ্থাৎ এটাৰ ঠাইত অন্য এটা প্ৰয়োগ কৰিব নোৱাৰি। এনেধৰণৰ আকৃতিসমূহ চিনাক্ত কৰি একোটা 'প্ৰাকৃতি' বুলি ধৰা হয়। অসমীয়া ভাষাৰ স্ত্ৰীলিংগবাচক ৰূপবোৰ খণ্ডিত কৰিলে ভিন্নৰূপৰ আকৃতি পোৱা যায় — যেনে — পাগলী, ফুকননী, বৰুৱানী, কলিতানী, বাঘিনী, ধুবুনী, সিংহিনী, কালৰী, ডেকেৰী আদি শব্দ খণ্ডিত কৰিলে ক্ৰমে — -ঈ, -অনী, -নী, -ইনী, -উনী, -ইনী, -অৰী, -এৰী আদি আকৃতি পোৱা যায়। এই আকৃতিসমূহৰ প্ৰত্যেকৰে ধ্বনিগত সাদৃশ্য নাই, কিন্তু অৰ্থগত সাদৃশ্য আছে। প্ৰত্যেকেই একোটাইত স্ত্ৰীলিংগবাচক প্ৰত্যয়। কিন্তু এই আকৃতিসমূহৰ প্ৰত্যেকৰে প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। যিহেতু 'পাগল' শব্দৰ পিছতহে -ঈ বহিব কিন্তু 'নী' নবহে, ঠিক তেনেদৰে 'ফুকন' শব্দৰ পিছত -অনীহে বহিব '-নী' নবহে। স্ত্ৰী প্ৰত্যয়ৰ বিভিন্ন ৰূপ -ঈ, -অনী, -নী, -ইনী, -উনী, -অৰী, -এৰী আদি প্ৰত্যেকেই একোটাইত আকৃতি। ইহঁতৰ কেইটামানৰ প্ৰয়োগ সম্পূৰ্ণৰূপে বৰ্ণগত (Phonologically conditioned)। যেনে — -ঈ, -অনী, -নী, -ৰী। ইহঁতৰ প্ৰত্যেককে একোটাইত 'প্ৰাকৃতি' বুলি ধৰা হয়। বাকীবোৰৰ প্ৰয়োগ আংশিকভাৱে বৰ্ণগত আৰু আংশিকভাৱে প্ৰাকৃতিগত (Morphologically conditioned)। যেনে — -ইনী, -উনী, -ইনী, -অৰী, -এৰী। -ঈ, -অনী, -নী, -ৰী এই চাৰিটা প্ৰাকৃতি শব্দৰ সৈতে সংযোগ হোৱাৰ পাছত ধ্বনিগত পৰিৱৰ্তনৰ দ্বাৰা সাধিত হৈছে। উক্ত আকৃতিবোৰক প্ৰাকৃতিত অন্তৰ্ভুক্ত কৰি 'উপাকৃতি' হিচাপে ধৰা হয়। যেনে — /নী/ প্ৰাকৃতিৰ উপাকৃতি হ'ব [-উনী, -ইনী আৰু -ৰী] প্ৰাকৃতিৰ উপাকৃতি হ'ব [-অৰী, -এৰী আৰু -উৰী]।

(৩) প্ৰাকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত আকৃতিসমূহৰ ৰূপ-ধ্বনিগত পৰিৱৰ্তনলৈও (Morpho-phonemic change) লক্ষ্য কৰা হয়। দুটা বা ততোধিক আকৃতিৰ ধ্বনিগত সাদৃশ্য নাই, বৰঞ্চ অৰ্থগত সাদৃশ্য আছে। কিন্তু ধ্বনিগত সাদৃশ্য

নাথাকিলেও যদি ধ্বনিগত পৰিৱৰ্তনৰ নিয়মৰ দ্বাৰা ব্যাখ্যা কৰি দেখুৱাব পাৰি, তেনেহ'লে সেই আকৃতিবোৰক একে প্ৰাকৃতিৰ অন্তৰ্গত বুলি ধৰা হয়। যেনে — অসমীয়া ভাষাৰ কেইটামান শব্দ — সন্তাপ, সন্মুখ, সংযোগ, সংবাদ, সমৃদ্ধ, সম্ভৱ এই ছটা শব্দ খণ্ডিত কৰিলে তলত দেখুওৱা আকৃতিসমূহ পোৱা যায়।

সন্ + তাপ = সন্তাপ।
সন্ + মুখ = সন্মুখ।
সং + যোগ = সংযোগ।
সং + বাদ = সংবাদ।
সম্ + ঋধ = সমৃদ্ধ।
সম্ + ভৱ = সম্ভৱ।

ওপৰৰ ছটা শব্দত সন্-, সং- আৰু সম- এই তিনিটা আকৃতি পোৱা গৈছে। এই আকৃতি তিনিটাৰ অৰ্থগত সাদৃশ্য আছে, কিন্তু ধ্বনিগত সাদৃশ্য নাই। এই তিনিওটা আকৃতিয়ে কাষত বহা ত, ম, য, ব, ঋ, ভ আদি ধ্বনিৰ প্ৰভাৱতেই ৰূপধ্বনিগত পৰিৱৰ্তন লাভ কৰিছে। ইহঁতক ধ্বনি পৰিৱৰ্তনৰ সূত্ৰেৰে ব্যাখ্যা কৰিব পাৰি। সন-, সং-, সম- এই তিনিওটা আকৃতি মূলতঃ 'সম'- প্ৰাকৃতিৰ অন্তৰ্গত। যিহেতু সম্ + তপ = সন্তাপ; সম + মুখ = সন্মুখ; সম + বাদ = সংবাদ আদিৰ কাষৰ ধ্বনিৰ প্ৰভাৱত ধ্বনিগত পৰিৱৰ্তন সাধন হৈছে। এনে পৰিৱৰ্তনসমূহক ধ্বনি পৰিৱৰ্তনৰ নিয়ম অৰ্থাৎ সমীভৱন, বিষমীভৱন আদিৰ পৰিণতি বুলি ক'ব পাৰি।

অসমীয়া ভাষাৰ নেতিবাচক ক্ৰিয়াৰূপৰ গঠনক ধ্বনি পৰিৱৰ্তনৰ নিয়মৰ দ্বাৰা বান্ধিব পাৰি। অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়াৰূপৰ পৰা প্ৰাকৃতি আৰু উপাকৃতি বাছি উলিওৱা হৈছে —

| | |
|---|---|
| ন-হ-য় | ন-মৰ-এ |
| না-খা-য় | না-জান-এ |
| নে-খেল-এ | নে-মেল-এ |
| নো-শো-এ | নো-ধো-এ |
| নু-শুন-এ | নু-বুৰ-এ |
| নি-দি-এ | নি-কিন-এ |

ওপৰৰ সামগ্ৰীখিনি বিশ্লেষণ কৰিলে অসমীয়াত নেতিবাচক বুজাবলৈ ক্ৰিয়াৰূপৰ আগত [ন-, না-, নে-, নো-, নু-, নি-] এই ছটা ভিন্ ভিন্ আকৃতি ব্যৱহাৰ কৰা দেখা গৈছে। ইহঁতৰ প্ৰত্যেকৰে মাজত ধ্বনিগত সাদৃশ্য নাই, কিন্তু অৰ্থগত সাদৃশ্য আছে। ইহঁতৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট আৰু পৰিপূৰক। গতিকে

এইবোৰ এটা সামূহিক গোট। এই গোটটোৰ ন-প্ৰয়োগৰ সীমাবদ্ধতা কম। তেনেহ'লে /ন/-হ'ব প্ৰাকৃতি আৰু /ন/-প্ৰাকৃতিৰ উপাকৃতি হ'ব [ন-, না-, নি-, নো-, নু-, নি-]।

মন কৰিবলগীয়া কথা এই যে, কোনো এটা ভাষাৰ প্ৰাকৃতি আৰু উপাকৃতি-সমূহৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। কিছুমান ভাষাত এনে কিছুমান প্ৰাকৃতি আছে যিবিলাকৰ অৰ্থ একে কিন্তু ধ্বনিৰ সাদৃশ্য নাথাকে আৰু প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। অসমীয়া ভাষাত নিৰ্দিষ্টবাচক প্ৰত্যয়বোৰত এনে গুণ নিহিত হৈ আছে। নিৰ্দিষ্টবাচক প্ৰত্যয় — -জন, -খন, -টো আদিৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। উদাহৰণস্বৰূপে মানুহজন, কিতাপখন, ল'ৰাটো আদি শব্দবোৰৰ -খন, -জন, -টো আদি আকৃতিবোৰ কোনো বস্তু বা মানুহক নিৰ্দিষ্টকৈ বুজাবলৈ ব্যৱহাৰ কৰা হয়, এইফালৰ পৰা ইহঁতৰ অৰ্থও একে। কিন্তু ইহঁতৰ পৰিৱেশ বেলেগ। বস্তুৰ ক্ষেত্ৰত '-খন', মানুহৰ ক্ষেত্ৰত '-জন' আকৌ বস্তু আৰু মানুহ দুয়োটাতে '-টো' ব্যৱহাৰ হয়। কিন্তু প্ৰত্যেকৰে প্ৰয়োগৰ স্থান নিৰ্দিষ্ট আৰু ধ্বনিগত সাদৃশ্যৰ ভিন্নতাৰ বাবে ইহঁত প্ৰত্যেকেই একোটাহঁত 'প্ৰাকৃতি'। কিন্তু অসমীয়াত নিৰ্দিষ্টবাচকতা বুজোৱা ধ্বনিগত সামান্য অমিল আৰু অৰ্থগত মিল থকা কিছুমান আকৃতিও পোৱা যায়। যেনে — [-জন, -জনা, -জনী], [-টো, -টা, -টি], [-খন, -খনি] ইত্যাদি। এই আকৃতিসমূহৰ অৰ্থগত সাদৃশ্য আছে যদিও ধ্বনিগত দিশত সামান্য প্ৰভেদ পৰিলক্ষিত হয়। ইহঁত পৰিপূৰক অৱস্থানত আছে। দেখা যায় যে, [-জন, -জনা, -জনী] এই আকৃতিকেইটাৰ প্ৰয়োগত বিৰোধ নাই। গতিকে নিৰ্দিষ্ট গুণসম্বলিত আটাইকেইটা আকৃতিক এটা গোটত ভাগ কৰিব পাৰি। [-জন, -জনা, -জনী] এই তিনিটা আকৃতিৰ /-জন/ হ'ব প্ৰাকৃতি আৰু /-জন/ প্ৰাকৃতিৰ উপাকৃতি হ'ব [-জন, -জনা, -জনী] ইত্যাদি।

আকৃতিসমূহৰ পৰা প্ৰাকৃতি চিনাক্ত কৰোঁতে ভাষাৰ খণ্ডিতকৰণৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। ভাষাবিজ্ঞানীৰ যদি ভাষাটোৰ সম্পৰ্কে পূৰ্বজ্ঞান নাথাকে তেতিয়া খণ্ডিতকৰণত বহুতো ভুল-শুদ্ধ পৰ্যায় অতিক্ৰম কৰিব লগা হ'ব পাৰে। সাধাৰণতে বাক্যত ব্যৱহৃত যিটো অংশ প্ৰাকৃতি নিৰ্ণয়ৰ বাবে বাছি লোৱা হয় সেই অংশটোৰ সন্দৰ্ভত তলত দিয়া কথাকেইটা বিচাৰ কৰি চাব লাগে।

(১) আলোচ্য অংশটো একে অৰ্থতে বাক্যত অন্য প্ৰসংগত ব্যৱহাৰ হৈছেনে নাই? যদি হৈছে তেনেহ'লে সেই অংশক আমি ব্যাকৰণগত ৰূপ (Gramamatical form) বুলি ধৰি ল'ব পাৰোঁ আৰু এই ব্যাকৰণগত ৰূপটো এক বা একাধিক আকৃতি বা প্ৰাকৃতিৰে গঠিত হ'ব আৰু তাক খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে

খণ্ডিত কৰি ল'ব লাগে।

(২) সাধাৰণতে ব্যাকৰণগত ৰূপটোক অৰ্থলৈ চাই খণ্ডিত কৰিব লাগে আৰু খণ্ডিত কৰা ৰূপবোৰো সেই একে অৰ্থতে অন্য প্ৰসংগত ব্যৱহাৰ হৈছেনে নাই পৰীক্ষা কৰি চাব লাগে।

অসমীয়া ভাষাৰ সাঁচতীয়া, আগতীয়া, তলতীয়া আদি শব্দ খণ্ডিত কৰিলে ক্ৰমে সাঁচ + অতীয়া, আগ + অতীয়া, তল + অতীয়া আদি ভিন্ন আকৃতি পোৱা যায়। কিন্তু 'অতীয়া' আকৃতিটো ধাতু আৰু শব্দৰ পিছত যোগ কৰি নতুন শব্দ গঠন কৰা হয়। ইহঁতক সুন্দৰকৈ খণ্ডিত কৰি দেখুৱাব পাৰি। কিন্তু ইংৰাজী ভাষাত Sing, Spring, Writing, Dancing আদি শব্দৰ ভিতৰত Sing আৰু Spring শব্দ দুটাক খণ্ডিত কৰিব নোৱাৰি। ইহঁত প্ৰত্যেকেই একক ৰূপ। কিন্তু Writing আৰু Dancing শব্দ দুটাক Write+ing আৰু Dance+ing দুটা ভাগত খণ্ডিত কৰিব পাৰি। এনেক্ষেত্ৰত Write, Dance আৰু ing তিনিটাক একোটাইত 'প্ৰাকৃতি' হিচাপে চিনাক্ত কৰিব পাৰি। নিজৰ মাতৃভাষা অধ্যয়নত সাধাৰণতে ভাষাৰ পূৰ্বধাৰণাই সহায় কৰে, কিন্তু বিদেশী ভাষা এটা অধ্যয়নৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰি অহা প্ৰাকৃতি বিশ্লেষণ পদ্ধতিৰ দ্বাৰা প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি।

প্ৰাকৃতিসমূহ বাছি উলিওৱাৰ পাছত প্ৰাকৃতি নামকৰণৰ ক্ষেত্ৰত আকৃতিবোৰৰ দুটা কথালৈ মন কৰা হয়। যেনে —

(ক) আকৃতিবোৰৰ কাৰ্যৰ আধাৰত, (খ) আকৃতিবোৰৰ প্ৰয়োগৰ ব্যাপকতাৰ আধাৰত।

সাধাৰণতে আকৃতিবোৰৰ কাৰ্যৰ আধাৰত আৰু প্ৰয়োগৰ ব্যাপকতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই প্ৰাকৃতি নামকৰণ কৰা হয়। যিবোৰ আকৃতি গোট কৰি প্ৰাকৃতি নিৰ্ণয় কৰা হয় সেই আকৃতিবোৰৰ ভিতৰত যিটো আকৃতিৰ কাৰ্য বেছি হয় সেই আকৃতিটোৱে প্ৰাকৃতিৰ নামকৰণ কৰা হয়। অৰ্থাৎ কাৰ্যৰ আধাৰত, যেনে — বচনাত্মক প্ৰাকৃতি, লিংগবাচক প্ৰাকৃতি ইত্যাদি। আনহাতে প্ৰাকৃতিটোৰ অন্তৰ্গত আকৃতিবোৰৰ ভিতৰত যিটো আকৃতিৰ প্ৰয়োগত সীমাবদ্ধতা কম অৰ্থাৎ প্ৰয়োগ ব্যাপক সেই আকৃতিটোৱে প্ৰাকৃতিটোৰ নামকৰণ কৰা হয়। যেনে — [-ৰী, -অৰী,-উৰী] আদি উপাকৃতিবোৰৰ প্ৰাকৃতিটোৰ নামকৰণ কৰা হ'ব /-ৰী/ নামেৰে।

**৮.০৫ প্ৰকৃতি (Root Morpheme) আৰু সৰ্গ (Affixes) ঃ**

**প্ৰকৃতি (Root Morpneme) ঃ**

পৃথিৱীৰ ভাষাসমূহত যথেষ্ট সংখ্যক 'প্ৰাকৃতি' থাকে। এনে প্ৰাকৃতিসমূহৰ ভিতৰত যিবোৰ প্ৰাকৃতিক কেন্দ্ৰ কৰি আন প্ৰাকৃতি সংযোগ কৰি ভিন্ ভিন্ অৰ্থবাচক ৰূপৰ সৃষ্টি কৰা হয়, সেই প্ৰাকৃতিসমূহক প্ৰকৃতি বা মূল প্ৰাকৃতি (Root